**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী ইণ্টাৰ্নশ্বিপ আঁচনিৰ বাবে এটা ম'বাইল এপ মুকলি কৰে।

২। লোকসভাত কালি ২০২৫-২৬ বৰ্ষৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণত থকা অনুদানৰ দাবী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

৩। নতুন দিল্লীত কালি ভাৰত-অষ্ট্ৰেলিয়া প্ৰতিৰক্ষা নীতি সন্দৰ্ভত নৰমলানি আলোচনা অনুষ্ঠিত হয়।

৪। ছত্তীশগড়ৰ বিজাপুৰ জিলাত কালি ১৯ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰে।

*আৰু*

৫। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিয়ে ২০২৮ চনত লছ এঞ্জেলছত হ'বলগীয়া অলিম্পিকত বক্সিঙক অন্তৰ্ভুক্ত কৰাত অনুমোদন জনাইছে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী ইণ্টাৰ্নশ্বিপ আঁচনিৰ বাবে এটা ম'বাইল এপ মুকলি কৰে। এই এপটোৱে সহজসাধ্য পথ নিৰ্দেশনা, আধাৰৰ জৰিয়তে পঞ্জীয়ন আৰু শেহতীয়া তথ্যসমূহৰ বিষয়ে পৰীক্ষাৰ্থীক অৱগত কৰিবলৈ সঠিক সময়ৰ জাননীকে ধৰি বিভিন্ন সুবিধা প্ৰদান কৰিব। কৰ্মসংস্থাপন, দক্ষতা আৰু সুযোগৰ সম্প্ৰসাৰণৰ বাবে প্ৰধানমন্ত্ৰীৰ ৫ খন আঁচনিৰ পেকেজ প্ৰৱৰ্তনক বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। তেওঁ জোৰ দি কয়, যে প্ৰধানমন্ত্ৰীৰ ইণ্টাৰ্নশ্বিপ আঁচনি- শ্ৰেণীকোঠাৰ শিক্ষণ আৰু উদ্যোগসমূহৰ প্ৰত্যাশাৰ মাজৰ ব্যৱধান হ্ৰাস কৰাত সহায়ক হ'ব, যাৰ ফলত যুৱক-যুৱতীসকলৰ নিয়োগ যোগ্যতা বৃদ্ধি পাব। বিত্তমন্ত্ৰী শ্ৰী সীতাৰমণে এই আঁচনিৰ ক্ষেত্ৰত উদ্যোগসমূহৰ সক্ৰিয় অংশগ্ৰহণৰ আহ্বান জনায়। কৰ্পোৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হৰ্ষ মালহোত্ৰাই কয়, যে পি এম আই এছ এপ মুকলিয়ে যুৱক-যুৱতীসকলৰ মাজত ইণ্টাৰ্নশ্বিপৰ সুযোগ বৃদ্ধি কৰিব।

প্ৰধানমন্ত্ৰী ইণ্টাৰ্নশ্বিপ আঁচনিখন ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত ঘোষণা কৰা হৈছিল। এই আঁচনিৰ লক্ষ্য হৈছে ৫ বছৰৰ ভিতৰত দেশৰ শীৰ্ষ ৫০০টা কোম্পানীত এক কোটি যুৱক-যুৱতীক ইণ্টাৰ্নশ্বিপৰ সুবিধা প্ৰদান কৰা। এই আঁচনিৰ অধীনত বিগত অক্টোবৰত এক লাখ ২৫ হাজাৰ ইণ্টাৰ্নশ্বিপৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে পাইলট প্ৰকল্প আৰম্ভ কৰা হৈছিল। এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ৭৪৫ খন জিলাৰ এক লাখ ২৭ হাজাৰৰো অধিক যুৱক-যুৱতীক ২৫ টা বিভিন্ন খণ্ডত ২৮০ টা কোম্পানীয়ে ইণ্টাৰ্নশ্বিপৰ সুবিধা প্ৰদান কৰিছিল। চলিত বৰ্ষৰ জানুৱাৰীত দ্বিতীয় পৰ্যায়ত প্ৰায় ৩২৭ টা কোম্পানীয়ে এক লাখ ১৮ হাজাৰতকৈও অধিক যুৱক-যুৱতীলৈ ইণ্টাৰ্নশ্বিপৰ সুবিধা আগবঢ়াইছে। এই পৰ্যায়ৰ বাবে চলিত মাহৰ শেষলৈকে আবেদনৰ সুবিধা আছে।

০০০০০

লোকসভাত কালি ২০২৫-২৬ বৰ্ষৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণত থকা অনুদানৰ দাবী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ কংগ্ৰেছৰ সাংসদ বৰ্ষা গাইকোৱাডে ৰে'ল যাত্ৰীৰ সুবিধা আৰু ৰে'ল দুৰ্ঘটনা সন্দৰ্ভত চৰকাৰক প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শেহতীয়াকৈ নতুন দিল্লী ৰে'লৰে ষ্টেচনত পদপিষ্ট হৈ কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ ঘটনা সন্দৰ্ভত প্ৰশ্ন তুলি শাসকীয় পক্ষক আক্ৰমণ কৰে। চৰকাৰে ভাৰতীয় ৰে'লক ব্যক্তিগতকৰণৰ প্ৰচেষ্টা চলাইছে বুলিও তেওঁ অভিযোগ কৰে। আলোচনাত অংশগ্ৰহণ কৰি তৃণমূল কংগ্ৰেছৰ সাংসদ শতাব্দী ৰয়ে যাত্ৰীসকলে অনলাইন টিকট বুকিঙত পোৱা অসুবিধা সন্দৰ্ভত আলোকপাত কৰে। দেশত হোৱা ৰে'ল দুৰ্ঘটনা সন্দৰ্ভতো তৃণমূল কংগ্ৰেছ দলৰ নেত্ৰীগৰাকীয়ে চৰকাৰক সমালোচনা কৰে। সমাজবাদী পাৰ্টিৰ নেতা লালজি বাৰ্মাই অযোধ্যা আৰু আজমগড়ৰ পৰা দিল্লীলৈ অধিক ৰে'ল চলাচলৰ বাবে দাবী জনায়। তেওঁ ৰে'ল যাত্ৰীসকলক আৰু ৰে'লৰে ষ্টেচনসমূহত অধিক সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰতো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। বিজেপিৰ সাংসদ জনাৰ্দন সিং ছিগৰিৱালে কেন্দ্ৰীয় বাজেটত ৰে'লৰ আধুনীকিকৰণ, শক্তিশালী আন্তঃগাঁথনি নিৰ্মাণ আৰু যাত্ৰীৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে বাজেটত দুই লাখ ৬৫ হাজাৰ কোটি টকা ধাৰ্য্য কৰা বুলি অৱগত কৰে। তেওঁ কয়, যে চৰকাৰে ১০০ খন অমৃত ভাৰত ৰে'ল, ৫০ খন নমো ভাৰত ৰে'ল আৰু ২০০ খন বন্দে ভাৰত ৰে'ল চলাচল কৰোৱাৰ পৰিকল্পনা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টফাৰ লাক্সনে কালি নতুন দিল্লীৰ ৰকবগঞ্জৰ গুৰুদ্বাৰত প্ৰাৰ্থনা কৰে। ইয়াৰ আগেয়ে কালি উভয় দেশৰ মাজত প্ৰতিৰক্ষা, শিক্ষা, ক্ৰীড়া, উদ্যানশস্য আৰু বনাঞ্চল বিষয়ক ৫ খন চুক্তি স্বাক্ষৰিত হয়। দুয়োখন দেশে অৰ্থনৈতিক ব্যৱস্থাৰ পাৰস্পৰিক গ্ৰহণযোগ্যতাৰ চুক্তিও স্বাক্ষৰ কৰে। দুয়ো পক্ষই মুক্ত বাণিজ্য চুক্তি আলোচনা আৰু পেচাদাৰী তথা দক্ষ শ্ৰমিকৰ গতিশীলতাৰ বাবে সহজলভ্য ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰাৰ কথাও ঘোষণা কৰে। ইয়াৰ লগতে দুয়োখন দেশৰ মাজত পাৰস্পৰিকভাৱে লাভজনক মুক্ত বাণিজ্য চুক্তিৰ আলোচনা আৰম্ভ কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। উভয় দেশৰ মাজত ক্ৰীড়া বিজ্ঞান, মনোবিজ্ঞান, চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত সহযোগিতাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

০০০০০

নতুন দিল্লীত কালি ভাৰত-অষ্ট্ৰেলিয়া প্ৰতিৰক্ষা নীতিৰ নৰমলানি আলোচনা অনুষ্ঠিত হয়। বৈঠকত দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ সন্দৰ্ভত মত বিনিময় কৰে। আলোচনাত অংশ লোৱা ভাৰতীয় প্ৰতিনিধি দলটোক যুটীয়া সচিব অমিতাভ প্ৰসাদে আৰু অষ্ট্ৰেলিয়াৰ প্ৰতিনিধি দলটোক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী সচিব বাৰ্নাৰ্ড ফিলিপে নেতৃত্ব দিয়ে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত কয় যে বৈঠকৰ সময়ত দুয়োপক্ষই প্ৰতিৰক্ষা অনুশীলন আৰু বিনিময়কে ধৰি দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ ক্ষেত্ৰত স্থায়ী অগ্ৰগতিক আদৰণি জনায়। মন্ত্ৰালয়ে লগতে কয় যে আলোচনাত সামুদ্ৰিক ক্ষেত্ৰত সজাগতা, পাৰস্পৰিক তথ্য বিনিময়, উদ্যোগ, বিজ্ঞান-প্ৰযুক্তিৰ সহযোগিতা

আদি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। উভয় দেশে শান্তিপূৰ্ণ, সুস্থিৰ, আৰু সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰসাৰৰ বাবে একেলগে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooo

ছত্তীশগড়ৰ বিজাপুৰ জিলাত কালি ১৯ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰে। জিলা আৰক্ষী অধীক্ষক জীতেন্দ্ৰ কুমাৰ যাদৱে কয়, যে এই মাওবাদীসকলৰ বাবে চৰকাৰে ২৯ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। ৰাজ্য চৰকাৰৰ পুনৰ সংস্থাপন নীতিৰ আধাৰত প্ৰতিজন মাওবাদীকে ২৫ হাজাৰ টকাকৈ দিয়া হৈছে বুলি তেওঁ ঘোষণা কৰে।

ৰাজ্যখনৰ কন্দাগাঁও জিলাত কালি আৰক্ষীৰ সন্মুখত আন এজন মাওবাদীয়ে আত্মসমৰ্পণ কৰে। এই মাওবাদীৰ মূল্য এক লাখ টকা ধাৰ্য কৰা হৈছিল। ইয়াৰ উপৰি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জিলা আৰক্ষীৰ যুটীয়া অভিযানত কালি ডাণ্টেৱাৰা জিলাত এটা পাঁচ কেজি ওজনৰ আই ই ডি বোমা উদ্ধাৰ কৰা হয়। ঘটনাস্থলীতে আৰক্ষীয়ে বোমাটো নিষ্ক্ৰিয় কৰে।

ooooo

আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীয়ে ২০২৮ চনত লছ এঞ্জেলছত হ'বলগীয়া অলিম্পিকত বক্সিং খেলক অন্তৰ্ভুক্ত কৰাত অনুমোদন জনাইছে। যোৱা মাহত কমিটীখনে বিশ্ব বক্সিং সংস্থাক অস্থায়ী স্বীকৃতি প্ৰদান কৰাৰ পিছতে এই সিদ্ধান্ত লোৱা হয়। এই সিদ্ধান্তক আদৰণি জনাই বিশ্ব বক্সিঙৰ সভাপতি বৰিছ ভান ডেৰ ভৰ্ষ্টে কয় যে এয়া অতি উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ সিদ্ধান্ত আৰু ই বক্সিঙক অলিম্পিকত পুনৰ সংযোজন কৰাৰ পিনে আগুৱাই লৈ যাব।

২০২২ চনৰ ফেব্ৰুৱাৰী মাহত কমিটীয়ে অনুমোদন জনোৱা ২০২৮ চনৰ অলিম্পিকৰ প্ৰাৰম্ভিক ক্ৰীড়া কাৰ্যসূচীত বক্সিঙক অন্তৰ্ভুক্ত কৰা হোৱা নাছিল।

যোৱা বছৰ কমিটীয়ে স্পষ্ট কৰি দিছিল যে ২০২৮ চনৰ অলিম্পিকত বক্সিং অন্তৰ্ভুক্ত কৰিবলৈ হ'লে ৰাষ্ট্ৰীয় বক্সিং ফেডাৰেচনসমূহে নতুন আন্তঃৰাষ্ট্ৰীয় ফেডাৰেচনক কেন্দ্ৰ কৰি একমতত উপনীত হ'ব লাগিব। শাসন আৰু ক্ৰীড়াৰ সততা সম্পৰ্কীয় বিভিন্ন মাপকাঠীৰ মূল্যায়নৰ অন্তত ২৬ ফেব্ৰুৱাৰীত কমিটিয়ে বিশ্ব বক্সিংক সাময়িকভাৱে স্বীকৃতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খাডছেই ইটালীৰ টুৰীনত অনুষ্ঠিত বিশেষ অলিম্পিকছ বিশ্ব শীতকালীন ক্ৰীড়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ভাৰতীয় দলটোক কালি সাক্ষাৎ কৰে।

প্ৰতিযোগিতাত অংশ লৈ ৮টা সোণ, ১৮টা ৰূপ আৰু ৭টা ব্ৰঞ্জসহ মুঠ ৩৩টা পদক অৰ্জন কৰা ভাৰতীয় দলৰ খেলুৱৈসকলক মন্ত্ৰীগৰাকীয়ে অভিনন্দন জনায়। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই পদকসমূহে খেলুৱৈসকলৰ খেলৰ প্ৰতি থকা অগ্ৰহ, পৰিশ্ৰম আৰু দৃঢ়তাৰ পৰিচয় দিয়ে। ৮ বছৰৰ দীৰ্ঘ বিৰতিৰ মূৰত অনুষ্ঠিত  প্ৰতিযোগিতাখনৰ এয়া আছিল দ্বাদশ সংস্কৰণ। ইটালীয়ে প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই প্ৰতিযোগিতাখনত ভাৰতক ৩০ গৰাকী খেলুৱৈ আৰু ১৯ গৰাকী সহায়কসহ মুঠ ৪৯ জনীয়া এটা দলে প্ৰতিনিধিত্ব কৰিছিল।

ooooo

ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে আজি ইংলেণ্ডৰ অ'লভাৰ হেমটনত আয়োজিত চলিত বৰ্ষৰ কাবাডী বিশ্বকাপ প্ৰতিযোগিতাত নিজ নিজ শাখাত অৱতীৰ্ণ হ'ব। মহিলাৰ দলটোৱে গ্ৰুপ ডিৰ এখন খেলত ৱেলছৰ মুখামুখি হোৱাৰ বিপৰীতে পুৰুষ দলটো গ্ৰুপ-বিৰ এখন খেলত স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেল দুখন ক্ৰমে বিয়লি চাৰে পাঁচ বজাত আৰু নিশা চাৰে ১০ বজাত অনুষ্ঠিত হ'ব।

কালি আৰম্ভ হোৱা প্ৰতিযোগিতাখনত ভাৰতৰ পুৰুষ দলটোৱে ইতিমধ্যে জয়েৰে অভিযানৰ পাতনি মেলিছে। দলটোৱে প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত ইটালীক ৬৪-২২ ফলাফলত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আয়োজক ইংলেণ্ডে হাংগেৰীৰ বিৰুদ্ধে ১০১-২৫ ফলাফলত বিজয় অৰ্জন কৰে।

প্ৰতিযোগিতাৰ বিগত সংস্কৰণৰ পুৰুষ আৰু মহিলা উভয় শাখাতে ভাৰতে খিতাপ অৰ্জন কৰিছিল। প্ৰতিযোগিতাত এইবেলি পুৰুষৰ শাখাত ভাগ লোৱা দহটা দলক গ্ৰুপ-এ আৰু বিত বিভক্ত কৰা হৈছে। ভাৰতক ইটালী, স্কটলেণ্ড, ৱেলছ আৰু হংকঙৰ সৈতে গ্ৰুপ বিত ৰখা হৈছে। গ্ৰুপ-এত আয়োজক ইংলেণ্ডৰ উপৰি হাংগেৰী, পোলেণ্ড, জাৰ্মানী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰক স্থান দিয়া হৈছে। মহিলাৰ শাখাত ভাগ লোৱা ছটা দলক গ্ৰুপ ডি আৰু ই হিচাপে ভাগ কৰা হৈছে। ভাৰতক ৱেলছ আৰু পোলেণ্ডৰ সৈতে গ্ৰুপ-ডিত ৰখা হৈছে। হংকং, হাংগেৰী আৰু ইংলেণ্ডক গ্ৰুপ-ইত স্থান দিয়া হৈছে।

ooooo

সমাপ্ত